**63/1 (SEM–5) ASM DSE 501 (DSE 1)**

**2021**

( Held in 2022 )

ASSAMESE

Paper : DSE–1

**( Introduction to Assamese Romantic and Modern Poetry )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। শুদ্ধ উত্তৰটো বাছি উলিওৱা : ১×৬=৬

(ক) ৰঘুনাথ চৌধাৰীৰ একমাত্ৰ কথা-কবিতাৰ পুথি হ'ল

*(i)* বহাগীৰ বিয়া

*(ii)* কেতেকী

*(iii)* নৱমল্লিকা

*(iv)* সাদৰী

(খ) *The Red River and The Blue Hill* গ্ৰন্থখন কাৰ ৰচনা?

*(i)* দেৱকান্ত বৰুৱা

*(ii)* হেম বৰুৱা

*(iii)* অজিৎ বৰুৱা

*(iv)* ৰাম গগৈ

(গ) অম্বিকাগিৰি ৰায়চৌধুৰীৰ জন্ম চনটো হৈছে

*(i)* ১৮৮৫

*(ii)* ১৮২৬

*(iii)* ১৮৫৮

*(iv)* ১৮৮৮

(ঘ) "সেউজীয়া প্ৰকৃতিৰ কোমল কোলাত
খেলা মোৰ হ'ব অবসান।"
এই কবিতাফাঁকি কোনটো কবিতাত আছে?

*(i)* নাটঘৰ

*(ii)* বিশ্বশিল্পী

*(iii)* পথাৰ

*(iv)* অতীতক নেযাবা পাহৰি

(ঙ) অসমীয়া সাহিত্যত আধুনিকতা প্ৰতিষ্ঠা কৰা আলোচনী হৈছে

*(i)* মণিদীপ

*(ii)* ৰামধেনু

*(iii)* নৱযুগ

*(iv)* জোনাকী

(চ) 'নাটঘৰ' কবিতাটো কোন কবিতাগ্ৰন্থৰ পৰা লোৱা?

*(i)* শেৱালী

*(ii)* মণিকূট

*(iii)* সপোনৰ সুৰ

*(iv)* আপোন সুৰ

২। তলৰ প্ৰশ্নসমূহৰ চমু উত্তৰ দিয়া : ২×৫=১০

(ক) যতীন্দ্ৰনাথ দুৱৰাকৃত ওমৰ খায়ামৰ কবিতাৰ ভাঙনি পুথিখনৰ নাম কি? কোনখন পুথিৰ বাবে দুৱৰাই সাহিত্য একাডেমী বঁটা লাভ কৰিছিল?

(খ) যি কোনো দুজন অসমীয়া সাম্প্ৰতিক কবিৰ নাম উল্লেখ কৰা।

(গ) মহেন্দ্ৰ বৰাক কি কবি বুলি কোৱা হয়?

(ঘ) "বিফলতা লৈয়ে এই ৰচিল জীৱন গীত।" কবিতাশাৰীৰ অৰ্থ কি?

(ঙ) হীৰেন ভট্টাচাৰ্য্যৰ দুখন কবিতাপুথিৰ নাম লিখা।

৩। তলৰ যি কোনো **ছয়টা** প্ৰশ্নৰ উত্তৰ লিখা : ৫×৬=৩০

(ক) ৰোমাণ্টিক কবিতাৰ যি কোনো পাঁচটা বৈশিষ্ট্য উল্লেখ কৰা।

(খ) দেৱকান্ত বৰুৱাৰ 'অসাৰ্থক' কবিতাটিৰ এটি বিশ্লেষণ আগবঢ়োৱা।

(গ) আধুনিক কবিতাৰ প্ৰধান লক্ষণসমূহ 'মমতাৰ চিঠি' নামৰ কবিতাটিত কেনেদৰে প্ৰতিফলিত হৈছে, বিচাৰ কৰা।

(ঘ) সমীৰ তাঁতীৰ কবিতাৰ ভাব, ভাষা আৰু বিষয়বস্তু সম্পৰ্কে আলোচনা কৰা।

(ঙ) অম্বিকাগিৰি ৰায়চৌধুৰীৰ 'বিশ্বদোলন' কবিতাত ৰহস্যবাদৰ লক্ষণ কিদৰে পৰিস্ফুট হৈছে, আলোচনা কৰা।

(চ) 'ওলমি থকা গোলাপী জামুৰ লগ্ন' কবিতাটিৰ কাব্যিক-সৌন্দৰ্য বিচাৰ কৰা।

(ছ) ব্যাখ্যা কৰা :

কোন কাৰ জগতৰ কোন কাৰ মৰমৰ
চকুৰ চিনাকি দুদিনৰ;
সমীমৰ ৰূপ তৃষ্ণা অসীমত বুৰ যাব
খহি গলে জৰী মৰমৰ।

(জ) অসমীয়া কবিতাত প্ৰতীক আৰু চিত্ৰকল্পৰ প্ৰয়োগ কিদৰে হৈছে? আলোচনা কৰা।

(ঝ) 'সাপ' কবিতাটিৰ জৰিয়তে কবিয়ে কি ক'ব বিচাৰিছে, নিজৰ ভাষাত লিখা।

৪। তলৰ যি কোনো **দুটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০×২=২০

(ক) 'অতীতক নেযাবা পাহৰি' কবিতাটোত কবি দুৰ্বাৰ 'পাহৰণি তত্ত্ব' কিদৰে প্ৰকাশ পাইছে, চমুকৈ আলোচনা কৰা।

(খ) আধুনিক অসমীয়া কবিতাৰ ইতিহাস ব্যাখ্যা কৰি হেম বৰুৱাৰ স্থান নিৰূপণ কৰা।

(গ) ৰাম গগৈৰ 'পথাৰ' কবিতাটোত শ্ৰমজীৱী মানুহৰ চিত্ৰ কিদৰে প্ৰতিফলিত হৈছে? আলোচনা কৰা।

৫। 'গড়গাঁও' কবিতাটোত প্ৰকাশিত ৰাজনৈতিক চেতনাৰ আভাস দাঙি ধৰা। ১৪

নাইবা

কবি ৰঘুনাথ চৌধাৰীৰ 'কেতেকী' কাব্যৰ প্ৰথম তৰঙ্গৰ বিষয়বস্তু আৰু কাব্যিক-সৌন্দৰ্য বিশ্লেষণ কৰা। ১৪

★ ★ ★